# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 02-08-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

১। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তি মুকলি। অসমৰ ২০ লাখৰো অধিক কৃষক উপকৃত।

২। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙৰ উপস্থিতিত গুৱাহাটীৰ উলুবাৰীত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধীকৰণৰ নতুন আদালত আৰু কাৰ্যালয় উদ্বোধন।

৩। চন্দ্ৰপুৰৰ গোৱৰ্দ্ধনৰ পৰা দক্ষিণ শালমৰাৰ হাটশিঙিমাৰীলৈ মালবাহী সামগ্ৰীৰ প্ৰথম পৰীক্ষামূলক যাত্ৰাৰ শুভাৰম্ভ।

৪। মেৰাপানীৰ নেঘেৰিবিলত অহা ৮ আগষ্টত উচ্ছেদ অভিযান। *আৰু*

৫। অভেল টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ দ্বিতীয় ইনিংছত সংগ্ৰাম অব্যাহত।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তি মোকলাই দিয়ে। এই কিস্তিৰ জৰিয়তে দেশৰ ৯ কোটি ৭০ লাখৰো অধিক কৃষকৰ মাজত ২০ হাজাৰ ৫০০ কোটি টকা বিতৰণ কৰা হয়। ইয়াৰ ভিতৰত অসমৰ ২০ লাখৰো অধিক কৃষকে মুঠ ৪২২ কোটিৰো অধিক ধন লাভ কৰিছে।

ডিব্ৰুগড়ত এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। তেওঁ ভাষণ প্ৰসঙ্গত কৃষকসকলক উৎপাদন বৃদ্ধিৰে দেশৰ অৰ্থনীতি বিকাশৰ যাত্ৰাত সবল ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

সাংসদ প্ৰদান বৰুৱাই ধেমাজিৰ চিমেনচাপৰিৰ কৃষি বিজ্ঞান কেন্দ্ৰত ভালেসংখ্যক হিতাধিকাৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান ভাৰ্চুৱেলি উপভোগ কৰে।

মাজুলীতো পি এম কিষাণ উৎসৱ দিৱসৰ সৈতে সংগতি ৰাখি জিলা আয়ুক্তৰ কাৰ্যালয় আৰু মাজুলী খণ্ড উন্নয়ন কাৰ্যালয়ত প্ৰধানমন্ত্ৰী ভাষণ পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়।

গোলাঘাট জিলাত ৮১ হাজাৰ কৃষকে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ ২০ সংখ্যক কিস্তিৰ ধন একাউণ্টযোগে লাভ কৰে।

যোৰহাট জিলাৰ প্ৰায় ৫৭ হাজাৰ যোগ্য হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ ২০ সংখ্যক কিস্তিৰ ধন লাভ কৰে।

একেদৰে কাছাৰ জিলাৰ ৭৩ হাজাৰ কৃষকে এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ লগতে চি এছ্ চি, কৃষক উৎপাদক সংস্থা, কৃষক সমৃদ্ধি কেন্দ্ৰ, পঞ্চায়ত-ভিত্তিক অঞ্চলৰ উপৰি জিলাখনৰ ১৫টা সংমণ্ডল কৃষি খণ্ডত প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়।

শিৱসাগৰ জিলাৰ প্ৰায় ৬৬ হাজাৰ হিতাধিকাৰীৰ একাউণ্টত এই আঁচনিৰ ২০ সংখ্যক কিস্তিৰ ধন হস্তান্তৰ কৰা হয়। জিলা কৃষি বিভাগ আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহে এই উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰে।

নগাঁও জিলাৰ ১ লাখৰো অধিক কৃষকে এই আঁচনিৰ ধন লাভ কৰিছে।

দেশৰ অন্য প্ৰান্তৰ লগতে দৰঙৰ কৃষি বিভাগৰ উদ্যোগত জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত এই কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ ১ লাখ ৫ হাজাৰৰো অধিক কৃষকে এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে।

বৰপেটা জিলাত ৯০ হাজাৰৰো অধিক কৃষকে এই আঁচনিৰ ধন লাভ কৰে। প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান জিলাখনৰ কৃষি বিভাগৰ কাৰ্যালয়ৰ লগতে সকলো উন্নয়ন খণ্ডৰ কাৰ্যালয়ত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ কৃষি বিষয়াসকলে এই কাৰ্যসূচীত অংশ লয়।

ooooo

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ৰাজ্যমন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে আজি গুৱাহাটীৰ উলুবাৰীৰ কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধীকৰণৰ গুৱাহাটী শাখাৰ নতুন আদালত আৰু কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে ড° সিঙে কয়, যে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অগ্ৰাধিকাৰৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ আমূল পৰিৱৰ্তন হৈছে। নৰেন্দ্ৰ মোদীৰ শাসনকালত অঞ্চলটোত ৰে'ল পথ যোগাযোগ সুদৃঢ় হোৱাৰ লগতে ন-ন প্ৰকল্প ৰূপায়িত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ২০১৪ চনৰ পূৰ্বে কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধীকৰণত ব্যাপক সংখ্যক গোচৰ বিচাৰাধীন আছিল কিন্তু বিগত ১০ বছৰত ৯৫ শতাংশ গোচৰ নিষ্পত্তি কৰা হৈছে।

**বাইট ঃ জীতেন্দ্ৰ সিং**

তেওঁ কয়, যে কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধীকৰণ আৰু ইয়াৰ ক্ষীপ্ৰ ন্যায় প্ৰদান অভিযানত সহায় সহযোগ আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। এই অনন্য প্ৰতিষ্ঠানৰ সততাৰ সংৰক্ষণ কৰাৰ বাবে সংশ্লিষ্ট সকলো পক্ষৰ সৈতে সহযোগিতা কৰিবলৈ চৰকাৰ সাজু বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অনুষ্ঠনত ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকে।

ooooo

কপিলী নদীৰ ৰাষ্ট্ৰীয় জলপথৰ জৰিয়তে কামৰূপ মহানগৰ জিলাৰ চন্দ্ৰপুৰৰ গোৰ্ব্ধনৰ পৰা দক্ষিণ শালমৰাৰ হাটশিঙিমাৰীলৈ মালবাহী সামগ্ৰীৰ প্ৰথম পৰীক্ষামূলক যাত্ৰা শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই পদক্ষেপক অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ অন্তৰ্দেশীয়

জলপথ পৰিবহনৰ বাবে ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰিছে। কপিলী নদী আৰু ব্ৰহ্মপুত্ৰৰ মাজেৰে এম ভি ভি ভি গিৰি নামৰ মালবাহী জাহাজখনে ৩০০ মেট্ৰিক টন চিমেণ্ট কঢ়িয়াই আনে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই উন্নয়নৰ জৰিয়তে অসমৰ এহেজাৰ ১৬৮ কিলোমিটাৰতকৈও অধিক ৰাষ্ট্ৰীয় জলপথ কাৰ্যকৰীকৰণ হৈছে বুলি প্ৰকাশ কৰে। কপিলী নদীত মালবাহী জাহাজৰ চলাচল কাৰ্যকৰী হোৱাৰ ফলত ৰাজ্যত নতুন দিগন্তৰ সূচনা হোৱাৰ লগতে ব্যয়সন্মত আৰু পৰিবেশগতভাৱে বহনক্ষম অন্তৰ্দেশীয় জলপথ পৰিবহন ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি তেওঁ কয়।

০০০০০

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বিগত ৪ দিনত চলোৱা উচ্ছেদ অভিযানত কমেও এহেজাৰ এশ বিঘা ভূমি দখলমুক্ত কৰা হৈছে। আজি পঞ্চম দিনাও অঞ্চলটোত উচ্ছেদ অভিযান চলায়। আজি বিদ্যাপুৰ, দলনিপথাৰ, মধুপুৰ আৰু খেৰবাৰী গাওঁৰ দখলিকৃত ভূমি উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান বন সংৰক্ষক এম কে যাদৱে এখন সংবাদমেলত প্ৰকাশ কৰা মতে, মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰী বিলত অহা ৮ আগষ্টত উচ্ছেদ অভিযান চলোৱা হ'ব। তেওঁ কয় যে অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫ টা পৰিয়ালক অঞ্চলটো খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ কালি উকলি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অহা ৬ আগষ্টৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব আৰু ৮ আগষ্টৰ পুৰা উচ্ছেদ চলোৱা হ'ব বুলি তেওঁ কয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ছেপ্তেম্বৰ মাহৰ তৃতীয় সপ্তাহৰ ভিতৰত বি টি আৰৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। ওদালগুৰি জিলাৰ হৰিশিঙা পৰিষদীয় সমষ্টি-ভিত্তিত অনুষ্ঠিত এখন বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি তেওঁ কয় যে বি টি আৰত এইবাৰ বিজেপিয়ে অকলে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। বিজেপিয়ে ২৫ আগষ্টৰ পাছত সমষ্টি-ভিত্তিত প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব বুলি তেওঁ কয়। বিগত পাঁচ বছৰত বি টি আৰত শান্তি স্থাপন হৈছে বুলি তেওঁ ভাষণত উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ অধীনৰ ৰাজহুৱা উদ্যোগ বিভাগৰ সৌজন্যত আজি গুৱাহাটীত Industry 4.0 শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। নুমলিগড় শোধনাগাৰ লিমিটেডৰ সহযোগত আয়োজিত এই কৰ্মশালাত নতুন আৰু অত্যাধুনিক প্ৰযুক্তিক কিদৰে আদৰি লব পাৰি আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহে ইয়াৰ সুফল কেনেদৰে লাভ কৰিব পাৰে সেই বিষয়ে অৱগত কৰোৱা হয় এই কৰ্মশালাত অংশ লোৱাৰ পাছত কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ অধীনত ৰাজহুৱা উদ্যোগ বিভাগৰ সচিব কে মছেচ চালাইয়ে আকাশবাণীৰ প্ৰতিনিধিৰ আগত কয়, যে কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিক্স, আই অ' টি, থ্ৰিডি পেইণ্টিং আদিয়ে অনা প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ প্ৰযুক্তিগত উন্নয়নে আমাক সামৰ্থ কৰি তুলিব।

**বাইট**

কে মছেচ চালাই

০০০০

পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ খাব পৰা এখন ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে নৈতিক প্ৰমূল্যৰ সৈতে সংপৃক্ত শক্তিশালী শিক্ষা ব্যৱস্থা আৰু ৰাষ্ট্ৰক লৈ গৌৰৱৰ ভাৱনা জৰুৰী বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। বিজনী চহৰৰ উত্তৰ পূৱ সামৰিক বিদ্যালয়ৰ নতুন শৈক্ষিক ভৱন মুকলি কৰি ৰাজ্যপালগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কোনো এখন ৰাষ্ট্ৰৰ ভৱিষ্যত যুৱ প্ৰজন্মৰ ওপৰত নিৰ্ভৰ কৰে। ভাৰতৰ চহকী শৈক্ষিক ঐতিহ্যৰ বিষয়ে আলোকপাত কৰি ৰাজ্যপালগৰাকীয়ে উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত ভাৰতৰ নিৰন্তৰ অৰিহনা সুনিশ্চিত কৰাৰ বাবে আধুনিক যুগত নতুন পদ্ধতিৰ উত্তৰণৰ আৱশ্যকতা আছে। তেওঁ কয় যে বৰ্তমান সময়ত দ্ৰুত পৰিৱৰ্তনশীল জ্ঞান প্ৰেক্ষাপটত শিক্ষা প্ৰদান ব্যৱস্থা প্ৰযুক্তিৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে। শিক্ষাৰ জৰিয়তে কৌতুহল জগাই তুলিব পাৰিলেহে শিক্ষাৰ্থীসকলক দৈনন্দিন জীৱনত সৱল কৰি তুলিব পৰা যায় বুলি ৰাজপালগৰাকীয়ে মন্তব্য কৰে। অনুষ্ঠানত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰয়, বিটিআৰৰ পৰিষদীয় বিধানসভাৰ উপাধ্যক্ষ অভিৰাম মহানায়ক আৰু বিটিআৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীৰ লগতে ভালেসংখ্যক বিশিষ্টি ব্যক্তি উপস্থিত থাকে।

ooooo

অসম আৰক্ষীয়ে শিশু মিত্ৰ কাৰ্যসূচীৰ অধীনত গুৱাহাটীৰ উলুবাৰীৰ মুখ্য কাৰ্যালয়ত এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ কৌশিক গোস্বামীয়ে এই আলোচনাচক্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ সুৰক্ষাৰ প্ৰয়োজন হোৱা শিশুসকলে কোনো ধৰণৰ বাধা অবিহনে ন্যায় আৰু পুনৰ সংস্থাপন লাভ কৰাটো গুৰুত্বপূৰ্ণ বিষয় বুলি মত পোষণ কৰে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে আলোচনাত অংশ লৈ শিশুসকলে সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰিবলৈ এখন মঞ্চ গঢ়ি তোলাৰ পোষকতা কৰে। ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ মুখ্য সচিব অজয় তিৱাৰী, কামৰূপ, নগাঁও আৰু মৰিগাঁও জিলা আৰু ছেছন ন্যায়াধীশকে ধৰি শিশু সুৰক্ষাৰ সৈতে জড়িত কেইবাটাও সংস্থাৰ বিষয়ববীয়াই এই আলোচনাচক্ৰত অংশ লয়।

ooooo

নগাওঁ জিলাত চলিত বছৰৰ জানুৱাৰীৰ পৰা যোৱা ৩১ জুলাই পৰ্যন্ত ৬৮৮ টা পথ দুৰ্ঘটনা সংঘটিত হৈছে আৰু এই দুৰ্ঘটনাৰ ফলত ১৪১ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। নগাওঁ জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই কাইলৈ জিলা প্ৰশাসনৰ উদ্যোগত পথ সুৰক্ষা সজাগতাৰ বাবে আয়োজন কৰা মটৰ চাইকেল সমদল সন্দৰ্ভত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সময়চোৱাত জিলাখনত পথ দুৰ্ঘটনাৰ ফলত ৯৭৭ গৰাকী লোক আঘাতপ্ৰাপ্ত হৈছে। জিলা পথ সুৰক্ষা সমিতিয়ে পৰৱৰ্তী সময়ত এনে পথ দুৰ্ঘটনা ৰোধৰ বাবে কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিছে বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। কাইলৈ পুৱা ৯ বজাত এই পথ সজাগতা সমদল আয়োজন কৰাৰ লগতে এখন সজাগতা সভা অনুষ্ঠিত কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য্য যতীন গোস্বামীৰ আজি ৯৩ সংখ্যক ওপজা দিন উপলক্ষে অনুৰাগীসকলে নৃত্য শিল্পীগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে। আজি পুৱাৰে পৰা বহু লোকে যশস্বী শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। আকাশবাণী গুৱাহাটীৰ তৰফৰ পৰা অনুষ্ঠান কাৰ্যবাহী

সমন্বয়ক  কার্তিক সুত্ৰধৰ আৰু প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিত দাসে শিল্পীগৰাকীক  ফুলাম গামোচা, আকাশবাণী গুৱাহাটীৰ এটা স্মাৰক আৰু এটা ৰেডিঅ' ছেটেৰে ওলগ জনায়। পদ্মশ্ৰী সন্মানেৰে সন্মানিত সংগীত,নাটক একাডেমী বঁটা প্ৰাপক ঘনকান্ত বৰা বৰবায়ন, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সূদৰ্শন ঠাকুৰ, কথক নৃত্য গুৰু  বিপুল দাস, বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞা, বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী, ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত চলচ্চিত্ৰ সমালোচক উৎপল দত্ত, কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা উপলা বৰুৱাকে ধৰি বহু গুণমুগ্ধই তেওঁক ওলগ জনাই সূদীৰ্ঘ জীৱন আৰু সুস্বাস্থ্য কামনা কৰে। আকাশবাণী গুৱাহাটীৰ প্ৰতিনিধিৰ সৈতে হোৱা কথা বতৰাত তেওঁ এইদৰে কয়।

**বাইট**

০০০০০

নীতি আয়োগৰ পৰামৰ্শ অনুসৰি গোৱালপাৰা জিলা প্ৰশাসনে  জিলাখনৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ খেলপথাৰত যোৱা ২৮ জুলাইৰ পৰা অনুষ্ঠিত কৰা আকাংক্ষা হাট নামৰ থলুৱা সামগ্ৰীৰ বজাৰখনৰ কালি সামৰণি পৰে। এই বজাৰত জিলাখনৰ আত্মসহায়ক গোট, ক্ষুদ্ৰ উদ্যোগ, কুটিৰ শিল্প বা আন থলুৱা উৎপাদনকাৰীৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰী আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল।  উল্লেখযোগ্য যে নীতি আয়োগে দেশৰ তুলনামূলকভাৱে কম উন্নয়ন হোৱা জিলা আৰু উন্নয়ন খণ্ডসমূহক উন্নত জিলা আৰু উন্নয়নখণ্ডসমূহৰ সমকক্ষ কৰি তোলাৰ লক্ষ্যৰে অভিলাসী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ আন্তঃগাথনি উন্নয়নত গুৰুত্ব দিছে। এই অনুসৰি গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ লক্ষীপুৰ উন্নয়ন খণ্ডত শিক্ষা, কৃষি, স্বাস্থ্য, পৰিপুষ্টি আৰু সামাজিক ন্যায় তথা আন্তঃগাথনিৰ ক্ষেত্ৰত বিশেষ পদক্ষেপলৈ আহিছে। এনে পদক্ষেপৰ অংশ হিচাপে এই আকাংক্ষা হাট মুকলি কৰা হৈছে। আকাংক্ষা হাটত মুকলি কৰা বিপনীসমূহৰ ভিতৰত ৰেচম বিভাগে শ্ৰেষ্ঠ বিপনীৰ স্বীকৃতি লাভ কৰে।

০০০০০

ৰাজ্যপালৰ অসম প্ৰতিভা উদগণিমলূক আঁচনি ২০২৫ ৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা  প্ৰাৰ্থীসকলৰ বাবে নতুন দিল্লীত বিনামুলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশিক্ষণৰ বাবে সদৌ অসম ভিত্তিক প্ৰতিভা সন্ধানী পৰীক্ষাৰ যোগেদি ১০ গৰাকী প্ৰাৰ্থীক বাচনি কৰা হ'ব। আগ্ৰহীসকলে ১০ আগষ্টৰ ভিতৰত gappy.assam.gov.in ৱেবছাইটৰ যোগেদি আবেদন কৰিব পাৰিব।

অ'ভেল ক্ৰিকেট টেষ্টত ভাৰতৰ সংগ্ৰাম অব্যাহত আছে। দলটোৱে ২ উইকেটৰ বিনিময়ত কালি দ্বিতীয় দিনা সংগ্ৰহ কৰা ৭৫ ৰানৰ পৰা তৃতীয় দিনৰ খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৪ টা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ২০০ ৰান সংগ্ৰহ কৰিছে। কালি খেলৰ অন্তিম মুহুৰ্তত নাইট ৱাটছমেন হিচাপে অহা আকাশদীপে আজি ৬৬ ৰানত আউট হয়। ইয়াৰ পাছতে অধিনায়ক শুভমন গীল, আট্কিনচনৰ বলত ১১ ৰানত এল পি ডব্লিঅ' হয়। বাতৰি যুগুতোৱাৰ সময়ত  যশস্বী জয়ছোৱাল ৯৪ ৰান আৰু কৰুণ নায়াৰ ১ ৰান কৰি খেলি আছে। ভাৰত ৬ টা উইকেট বাকী থকা অৱস্থাত ইংলেণ্ডতকৈ সামগ্ৰিকভাৱে ১৭৭ ৰানত আগবাঢ়ি আছে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

সমাপ্ত